Regional News Unit
AKASHVANI, Guwahati
0000000000

Date : 21-08-2024
Time : 1715 Hrs

*Assamese Evening Bulletin*

- - - - - - - - - - - - - - - - - - -

ৰাজ্যসভাত খালী হোৱা অসমৰ দুখন আসনৰ বাবে বিজেপিৰ প্ৰাৰ্থী প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু প্ৰাক্তন বিধায়ক মিছন ৰঞ্জন দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰে। প্ৰাৰ্থী দুগৰাকীৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক তথা শাসকীয় মিত্ৰজোঁটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে। উল্লেখযোগ্য যে অসমৰ ৰাজ্যসভাৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী সন্দৰ্ভত আলোচনাৰ বাবে কালি নতুন দিল্লীত কেন্দ্ৰীয় নেতৃত্বৰ সৈতে অসম ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়।

উল্লেখযোগ্য যে সাম্প্ৰতিক ৰাজনৈতিক প্ৰেক্ষাপটত বিজেপিৰ হৈ প্ৰাৰ্থিত্ব আগবঢ়োৱা দুয়োগৰাকী প্ৰতিনিধি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো প্ৰায় নিশ্চিত হৈ পৰিছে।

ooooo

অহা ২৩ আগষ্টত সমগ্ৰ দেশজুৰি প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰা হ'ব। দিৱসৰ এই বছৰৰ বিষয়বস্তু হৈছে- চন্দ্ৰপৃষ্ঠক স্পৰ্শ কৰাৰ লগতে জীৱনকো স্পৰ্শ কৰা- ভাৰতৰ মহাকাশ গাথা। এই বিষয়বস্তুৰে মহাকাশ অন্বেষণৰ ফলত সমাজ আৰু প্ৰযুক্তিৰ ওপৰত পৰা গভীৰ প্ৰভাৱক উজলাই তুলিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া মূল কাৰ্যসূচী মুকলি কৰিব। ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ মূল কাৰ্যসূচীৰ পূৰ্বাভাস দিবলৈ নতুন দিল্লীত আয়োজন কৰা সংবাদমেলত কেন্দ্ৰীয় মহাকাশ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কয় যে, যোৱা বছৰৰ ২৩ আগষ্টৰ দিনটোতে চন্দ্ৰযান-৩ অভিযানে চন্দ্ৰপৃষ্ঠত বিক্ৰম লেণ্ডাৰৰ সুৰক্ষিত আৰু মসৃণ অৱতৰণ কৰাবলৈ সমৰ্থ হৈছিল। তাৰ লগে লগেই ভাৰত চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰা বিশ্বৰ চতুৰ্থখন দেশ আৰু চন্দ্ৰৰ দক্ষিণ মেৰু অঞ্চলত অৱতৰণ কৰিবলৈ সমৰ্থ হোৱা প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছিল। অন্বেষণৰ ক্ষেত্ৰত দেশে অৰ্জন কৰা উল্লেখনীয় সফলতা আৰু মহাকাশ প্ৰযুক্তিৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিৰ স্বীকৃতিস্বৰূপে ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰ আয়োজন কৰা হৈছে।

ooooo

অধ্যাপক ড০ ননীগোপাল মহন্তই আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। বিদায়ী উপাচাৰ্য প্ৰতাপজ্যোতি সন্দিকৈৰ কাৰ্যকালৰ কালি সামৰণি পৰাৰ পাছত আজি ড০ মহন্তই কাৰ্যভাৰ গ্ৰহণ কৰে। আজি বিশ্ববিদ্যালয়খনত উপস্থিত হোৱাৰ পাছত তেওঁক শিক্ষক-কৰ্মচাৰীসকলে আদৰণি জনায়। ইয়াৰ পাছত সাংবাদিকৰ আগত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰি উপাচাৰ্যগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ক দেশৰ শীৰ্ষৰ ১০খন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ ভিতৰত এন-আৰ-এফ ৰেংকিঙত পাঁচ নম্বৰ স্থানলৈ অনাৰ বাবে তেওঁ কাম কৰি যাব। তদুপৰি বিশ্ববিদ্যালয়খনৰ পৰীক্ষাৰ বেমেজালি দূৰ কৰা, বিদ্যায়তনিক ক্ষেত্ৰৰ গুণগত মান উন্নীত কৰাৰ বাবেও তেওঁ প্ৰচেষ্টা অব্যাহত ৰাখিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

ooooo

জ্যেষ্ঠ নাগৰিকসকলৰ সুৰক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে আজিৰ দিনটো বিশ্ব জ্যেষ্ঠ নাগৰিক দিৱস হিচাপে উদযাপন কৰা হৈছে। জ্যেষ্ঠ নাগৰিকৰ সৈতে হোৱা আতিশয্যৰ ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস উদযাপন কৰা হয়। তদুপৰি সমাজৰ প্ৰতি জ্যেষ্ঠসকলৰ অৱদানক এই দিৱস পালনেৰে স্বীকৃতি দিয়াৰ প্ৰয়াস কৰা হয়। ভাৰতত এই দিৱস পালনে বিশেষ গুৰুত্ব বহন কৰিছে। ২০২০ চনত জনসংখ্যা সম্পৰ্কীয় এটা জৰীপৰ তথ্য অনুসৰি ২০৩১ চনলৈ দেশৰ জ্যেষ্ঠ নাগৰিকৰ সংখ্যা ১৯৩ নিযুতৰো অধিক হ'বগৈ। ২০১১ চনৰ লোকপিয়ল অনুসৰি এই সংখ্যা আছিল ১০৩ নিযুত। মুঠ জনসংখ্যাৰ ভালেসংখ্যক লোক জ্যেষ্ঠ নাগৰিক হোৱা হেতুকে ভাৰতত এই লোকসকলৰ কল্যাণৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে জ্যেষ্ঠ নাগৰিকসকলৰ সুবিধাৰ্থে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ উদ্যোগত অটল বায়ো অভ্যুদয় যোজনা চমুকৈ অব্যয়ৰ অধীনত গৃহহীন জ্যেষ্ঠ নাগৰিকৰ বাবে আশ্ৰয়গৃহ আৰু স্মৃতিভংশ ৰোগত আক্ৰান্ত জ্যেষ্ঠ নাগৰিকৰ বাবে যতন গৃহৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সহযোগত এই লোকসকলৰ শাৰিৰীক, মানসিক, আবেগিক আৰু বিত্তীয় সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

জিলা দুৰ্যোগ ব্যৱস্থাপনাৰ উদ্যোগত হাটশিঙিমাৰীত নাও দুৰ্ঘটনাৰ সময়ত কৰণীয় সন্দৰ্ভত দুদিনীয়া প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হৈছে। কৰ্মশালাৰ প্ৰথম দিনা মলাখোৱা গাঁও পঞ্চায়তত ৩০ খনকৈ নাৱৰ গৰাকী আৰু চালকৰ লগতে ৩ গৰাকী গাঁও প্ৰধানক এছ ডি আৰ এফ বাহিনীয়ে প্ৰশিক্ষণ প্ৰদান কৰে। কৰ্মশালাত নাও দুৰ্ঘটনাৰ সময়ত যাত্ৰীসকলক সুকলমে উদ্ধাৰৰ বাবে ল'বলগীয়া পদক্ষেপ সন্দৰ্ভত প্ৰশিক্ষণ দিয়া হয়। কৰ্মশালাৰ অন্তত কাইলৈ অংশগ্ৰহণকাৰীসকলক মানপত্ৰ প্ৰদান কৰা হ'ব বুলি দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০

সাম্ভাব্য বান পৰিস্থিতিক লৈ মৰিগাঁও জিলাৰ বাসিন্দাসকললৈ জিলা প্ৰশাসনে সতৰ্কতামূলক জাননী জাৰি কৰিছে। মেঘালয় পাৱাৰ জেনেৰেচন কৰ্পৰেচন লিমিটেডে উৰিয়াম নদীৰ তলৰ অঞ্চল আৰু উমিয়াম বান্ধৰ সিপাৰৰ অঞ্চলত প্ৰবল বৰষুণ আৰু পানী নিৰ্গমন বৃদ্ধিৰ বাবে সাম্ভাব্য বান পৰিস্থিতিক লৈ সতৰ্কবাণী জাৰি কৰিছে। এই বান্ধৰ পানীয়ে জিলাখনৰ কিলিং নদীৰ কাষৰীয়া নেলী, গোভা আদি অঞ্চল ক্ষতি কৰাৰ আশংকা কৰা হৈছে। সেয়েহে জাননীযোগে জিলা প্ৰশাসনে মৰিগাঁওবাসী ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

০০০০০

পেৰুৰ ৰাজধানী লীমাত হ'বলগীয়া ২০ বছৰ অনূৰ্ধবৰ বিশ্ব এথলেটিকছ প্ৰতিযোগিতাত ভাগ লোৱাৰ উদ্দেশ্যে ভাৰতীয় দলটো আজি পুৱা ৰাওনা হৈছে।

০০০০০

সমাপ্ত